অসম

টেঙাখাতৰ আইটিএফ অগ্নিকাণ্ডত মৃতকৰ সংখ্যা ৫লৈ বৃদ্ধি

অগ্নিদগ্ধ কুমুদ গগৈৰ ডিব্রুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হৈছে। আন দুজন আহত শ্ৰমিকৰ চিকিৎসা চলি আছে।

প্ৰকাশ: ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৯



টেঙাখাত: অইল ইণ্ডিয়া লিমিটেডৰ ইণ্টাৰমিডিয়েট টেংক ফার্মত সংঘটিত অগ্নিকাণ্ডত মৃতকৰ সংখ্যা ৫জনলৈ বৃদ্ধি পাইছে। অগ্নিদগ্ধ শ্ৰমিক কুমুদ গগৈৰ চিকিৎসাধীন অৱস্থাতে মৃত্যু হৈছে।

৪০ বছৰীয়া কুমুদ গগৈ টেঙাখাতৰ দীঘলীয়া গাঁৱৰ বাসিন্দা আছিল। কোম্পানীটোত হেল্পাৰ হিচাপে কর্মৰত গগৈ ডিব্রুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল।

৬ নৱেম্বৰত সংঘটিত এই ভয়াৱহ অগ্নিকাণ্ডত ইয়াৰ পূৰ্বে ৰাজু দত্ত, তপাছ গগৈ, ৰূপম গোহাঁই আৰু শৈলেন গগৈৰ মৃত্যু হৈছিল।

আহত গোলাপ দত্ত এতিয়াও ডিব্রুগড়ত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। আনহাতে, ইন্দ্ৰ গগৈক উন্নত চিকিৎসাৰ বাবে দিল্লীৰ এপ'ল' চিকিৎসালয়লৈ বিমানযোগে প্ৰেৰণ কৰা হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1736/tengakhat-oil-itf-fire-death-toll